দিনাংক - ২ ডিচেম্বৰ ২০১৩

# ৰাজ্য সভাৰ বিৰোধী পক্ষৰ নেতা শ্ৰী অৰুণ জেইটলীৰ ফেচবুক প’ষ্ট

জম্মু আৰু কাশ্মীৰত জীয়ৰীৰ দূৰৱস্থা :

**যোৱাকালি শ্ৰীযুত নৰেন্দ্ৰ মোডী আৰু শ্ৰীযুত ৰাজনাথ সিঙে জম্মু আৰু কাশ্মীৰত বৃহৎ ৰেলিক সম্বোধন কৰিছিল । ভাৰতীয় জনসংঘ আৰু এতিয়াৰ বি জে পি ৰ মতে জম্মু আৰু কাশ্মীৰক ভাৰতৰ সৈতে ঐক্যবদ্ধ কৰোৱাতো তেওঁলোকৰ আদৰ্শবাদৰ এক অভিন্ন অংগ । বি জে পি য়ে বিশ্বাস কৰে যে ডঃ শ্যামপ্ৰসাদ মুখাৰ্জীৰ, জম্মু আৰু কাশ্মীৰক সম্পূৰ্ণৰূপে ভাৰতৰ সৈতে ঐক্যবদ্ধ কৰাৰ দূৰদৰ্শিতা ভাৰতৰ বাবে এক শুদ্ধ দৃষ্টিকোণ আছিল । ভিন্ন মৰ্য্যদা প্ৰদান কৰা নেহৰুৰ দুৰদৰ্শিতাই ১৮৫৩ চনৰ পূৰ্বৰ নিজা নীতি আৰু স্বাধীনতাৰ কথাহে উদঙাইছে । উক্ত তিনিওটা মতক সমৰ্থন কৰিবলৈ আগবাঢ়োতে জন্মূ আৰু কাশ্মীৰ আৰু দেশৰ অন্যান্য ৰাজ্যৰ মাজৰ সাংবিধানিক আৰু ৰাজনৈতিক সম্পৰ্ক দূৰ্বল হৈ পৰিছে । পৃথক মৰ্য্যদাৰ যাত্ৰাত আমি ঐক্যবদ্ধ হোৱাৰ বিপৰীতে পৃথকবাদী হৈহে গৈ আছে । সংবিধানৰ অনুচ্ছেদ ৩৭০ ৰ ওপৰত কোমলভাৱে থিয় দিয়া বিষয়টোত আলোচনা কৰা বি জে পি ৰ প্ৰত্যাহবানক যদি কোনোৱে ভুলভাৱে ব্যাখা কৰে সেইয়া উচিত নহ’ব ।**

**বিগত ৫ দশকতকৈও অধিক সময় ধৰি জম্মু আৰু কাশ্মীৰৰ ৰাজ্যিক আইনসমূহক বাৰে বাৰে সংশোধন কৰাৰ মূল উদ্দেশ্য হৈছে যে জম্মু আৰু কাশ্মীৰৰ জীয়ৰীয়ে যদি ৰাজ্যৰ বাহিৰত কাৰোবাৰ সৈতে বিবাহপাশত আবদ্ধ হয় তেন্তে তেওঁ ৰাজ্যৰ স্থায়ী প্ৰমাণ পত্ৰৰ লগতে লাভ কৰা বিশেষ অধিকাৰ আৰু সুবিধাও হেৰুৱাব লাগিব । উক্ত সিদ্ধান্তটো এটি ভুল ধাৰণাৰ ওপৰত নিৰ্ধাৰিত যে এগৰাকী মহিলাই নিজৰ স্বামীৰ ঘৰখনকে নিজৰ কৰি লয় । জম্মু আৰু কাশ্মীৰৰ বহু সংখ্যক মহিলাই ইয়াৰ সাংবিধানিক বৈধতাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছে । ৭ অক্টোবৰ ২০০২ তাৰিখে জম্মু আৰু কাশ্মীৰৰ উচ্চ ন্যায়লয়ৰ ফুলবেন্সৰ ৰায় অনুসৰি এগৰাকী জীয়ৰীয়ে ৰাজ্যৰ বাহিৰত বিবাহপাশত আবদ্ধ হ’লে স্থায়ী নিৰ্বাসীৰ প্ৰমাণ নেহেৰুৱায় । সেই সময়ত শাসন কৰা নেচনেল কনফাৰেন্স চৰকাৰক উক্ত গুচৰত এডভোকেট জেনেৰেল শ্ৰীযুত এম এ গনীয়ে প্ৰতিনিধিত্ব কৰি জীয়ৰীসকলৰ অভিযোগক সম্পূৰ্ণৰূপে বিৰোধিতা কৰিছিল ।**

ৰায়দানত উল্লেখিত প্ৰসংগ :

‘ এডভোকেট জেনেৰেল শ্ৰীযুত এম এ গনীয়ে যুক্তি দাঙি ধৰিছিল যে, যদি ৰাজ্যৰ এগৰাকী স্থায়ী বাসিন্দাই ৰাজ্যৰ অস্থায়ী বাসিন্দাৰ সৈতে বিবাহপাশত আৱদ্ধ হয় তেনেহ’লে সেইগৰাকী মহিলাই ৰাজ্যৰ স্থায়ী বাসিন্দাৰ মৰ্য্যদা হেৰুৱাৰ লগতে ৰাজ্যৰ সংবিধানৰ অনুচ্ছেদ ৬ ত উল্লেখিত স্থায়ী বাসিন্দাৰ সংজ্ঞাতো নপৰিব । তেওঁ লগতে যুক্তি দৰ্শাইছে যে এজন অস্থায়ী বাসিন্দাৰ সৈতে বিবাহ হোৱাৰ পাছত ৰাজ্যৰ স্থায়ী বাসিন্দাৰ জীয়ৰীসকলে বিয়াৰ আগত অৰ্জন কৰা সম্পদো হেৰুৱাব লগিব আৰু লগতে ৰাজ্যৰ পৰা পোৱা বিশেষ

অধিকাৰ বা সুবিধাসমূহো হেৰুৱাব লাগিব । ইয়াৰ পাছত তেওঁ দৰ্শাইছিলে যে - এগৰাকী বিবাহিত মহিলা বা বিধবা মহিলাৰ মৰ্য্যদা তেওঁৰ স্বামীৰ ওপৰতহে নিৰ্ভৰশীল আৰু যদি তেওঁ ৰাজ্যৰ বাহিৰত থাকি সেইখন ঠাইৰে স্থায়ী নিৱাসী হৈ যায়,তেনেহ'লে সেই গৰাকী মহিলাই ৰাজ্যৰ এজন নিবাসীৰ সৈতে আৱদ্ধ হোৱাৰ পাছত পোৱা অধিকাৰসমূহো হেৰুৱাব লাগিব ।'

শ্ৰীওমৰ আব্দুলাৰ নেচনেল কন্ফাৰেন্স দ'লৰ চৰকাৰে উপৰোক্ত ব্যাখাতেই মনোনিবেশ কৰি আছিল । আৰু সেইবাবে এই ৰায়দানৰ পৰা অসন্তুষ্ট হৈ নেচনেল কন্ফাৰেন্স চৰকাৰে উচ্চতম ন্যায়লয়ত এখন এচ এল পি দাখিল কৰে ।

২০০৩ বৰ্ষত কংগ্ৰেছ দ'লৰ লগত সহযোগ কৰি পি ডি পি দ'লে ৰাজ্যত তেওঁলোকৰ চৰকাৰ গঠন কৰে । সেই চৰকাৰে অন্য এক কৌশল অনুসৰণ কৰিছিল । তেওঁলোকে এচ এল পি উঠাই লোৱাৰ লগতে জন্মু আৰু কাশ্মীৰ ৰেচিডেন্স ডিচকুৱালিফিকেচন বিল ২০০৪ প্ৰেৰণ কৰিলে । যিখনে উচ্চ ন্যায়লয়ৰ মতামতক বাতিল কৰি দিলে। উক্ত বিলক পি ডি পি আৰু নেচনেল কন্ফাৰেন্সে উৎসাহজনকভাৱে সমৰ্থন আগবঢ়াইছিল।উক্ত বিলখনৰ মতে ৰাজ্যৰ এগৰাকী স্থায়ী নিৱাসীয়ে ৰাজ্যৰ বাহিৰৰ কাৰোবাক বিবাহ কৰালে তেওঁ নিজৰ স্থায়ী বাসিন্দাৰ পৰিচয় হেৰুৱাব লাগিব । এই বিলখন লেজিচলেটিভ এচেম্বলিয়ে প্ৰেৰণ কৰিছিল ।

তেতিয়াৰ প্ৰধানমন্ত্ৰী শ্ৰীযুত অটল বিহাৰী বাজপেয়ীয়ে মাৰ্চ ২০০৪ ত এই সমস্যাৰ সমাধান বিচৰাৰ বাবে ৰাজ্যচৰকাৰক পৰামৰ্শ আগবঢ়াইছিল । সেই সময়ৰ পি ডি পি আৰু নেচনেল কন্ফাৰেন্স দ'লে সংবিধানৰ অনুচ্ছেদ ৩৭০ ৰ অন্তৰ্গত বিশেষ অধিকাৰ থকা বুলি ভাষ্য আগবঢ়াইছিল ।

লেজিচলেটিভ এচেম্বলিৰ দ্বাৰা এই বিল খন প্ৰাৰিত হোৱাৰ পাছত লেজিচলেটিভ কাউন্সিলৰ চেয়াৰমেনে কোনো ধৰণৰ চৰ্চা বা ভোট নৰৰাকে আকৌ প্ৰস্তুত কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে ।

২০১০ চনত পি ডি পি ৰ সদস্যই এই বিলখনক ব্যক্তিগত সদস্যৰ বিল হিচাপে লেজিচলেটিভ কাউন্সিললৈ প্ৰেৰণ কৰে । নেচনেল কন্ফাৰেন্সৰ নেতৃত্বই কঠোৰ বক্তব্য দাঙি ধৰিছে যে তেওঁলোকে উক্ত বিল খন অনাৰ বাবে দায়বদ্ধ । মহিলাৰ অধিকাৰৰ বিপৰীতে তেওঁলোকে বিশেষ অধিকাৰ আৰু কশ্মীৰী পৰিচয় বিচাৰিছে ।

ৰাজ্যৰ মুখ্যমন্ত্ৰী শ্ৰীযুত ওমৰ আব্দুলাই নিজৰ দ'লৰ এই বিষয়ৰ ওপৰত দুই ধৰণৰ ধাৰণাক অৱহেলা কৰি উক্ত বিষয়ৰ ওপৰত নিকৃষ্ট টুইট কৰিব পাৰে নেকি ?

এইয়া সকলোৱে মানি ল'ব লাগিব যে, এনেধৰণৰ বৈষম্যমূলক অনুচ্ছেদ যিয়ে এগৰাকী ব্যক্তিৰ সন্মানজনকভাৱে জীয়াই থকাৰ অধিকাৰৰ বিৰুদ্ধে,তেনে অনুচ্ছেদৰ ভাৰতীয় সংবিধানত কোনো স্থান নাই ।